# হস্তিবিদ্যাৰ্ণৱ পুথি - ডঃ সূৰ্যকুমাৰ ভূঞা

---

## অতি চমু প্ৰশ্ন – মূলাংকঃ ১

প্ৰশ্ন ১.‘হস্তিবিদ্যাৰ্ণৱ পুথি’ শীৰ্ষক পাঠটি ক’ৰ পৰা সংগ্ৰহ কৰা হৈছে?

উত্তৰঃ ‘হস্তিবিদ্যাৰ্ণৱ পুথি’ শীৰ্ষক পাঠটি যোগেন্দ্ৰ নাৰায়ণ ভূঞা সম্পাদিত ‘সূৰ্যকুমাৰ ভূঞাৰ বিবিধ প্ৰবন্ধ’ নামৰ গ্ৰন্থখনৰ পৰা সংগ্ৰহ কৰা হৈছে ।

প্ৰশ্ন ২.‘হস্তিবিদ্যাৰ্ণৱ পুথি’ শীৰ্ষক প্ৰবন্ধটি প্ৰথমতে ক’ত প্ৰকাশ পাইছিল?

উত্তৰঃ শুক্লেশ্বৰ বৰা সম্পাদিত ‘জয়ন্তী’ আলোচনীত ১৯৫৩ চনত প্ৰকাশ পাইছিল ।

প্ৰশ্ন ৩. কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যাপকৰ নাম কি?

উত্তৰঃকটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যাপকৰ নাম- ড০ সূৰ্যকুমাৰ ভূঞা ।

প্ৰশ্ন ৪. সূৰ্যকুমাৰ ভূঞাৰ গৱেষণামূলক গ্ৰন্থখনৰ নাম কি?

উত্তৰঃ সূৰ্যকুমাৰ ভূঞাৰ গৱেষণামূলক গ্ৰন্থখনৰ নাম- “Anglo-Assamese relations”, 1771-1826.

প্ৰশ্ন ৫.‘হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ’ পুথিখন কোনে ৰচনা কৰিছিল ?

উত্তৰঃ সুকুমাৰ বৰকাথে ১৭৩৪ খৃষ্টাব্দত ৰচনা কৰে।

## চমু প্ৰশ্ন – মূল্যাংকঃ ২

প্ৰশ্ন ১.‘হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ’ পুথিখন কোনে ৰচনা কৰিছিল ?

উত্তৰঃ সৌমাৰ পীঠৰ ঈশ্বৰ মহাৰাজ শিৱসিংহ আৰু বৰকুঁৱৰী অম্বিকা দেৱীৰ আজ্ঞা মানি সুকুমাৰ বৰকাথে ১৬৫৬ শকত অৰ্থাৎ ১৭৩৪ চনত হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ ’ পুথিখনি ৰচনা কৰিছিল ।

প্ৰশ্ন ২.পুৰণি অসমীয়া সচিত্ৰ পুথি দুখনৰ নাম লিখা ।

উত্তৰঃপুৰণি অসমীয়া সচিত্ৰ পুথি দুখনৰ নাম- শঙ্খচূড় বধ আৰু লৱকুশৰ যুদ্ধ।

প্ৰশ্ন ৩. হস্তিবিদ্যাৰ্ণৱ পুথিখনৰ চিত্ৰবোৰ কোনে অংকন কৰিছে ?

উত্তৰঃ হস্তিবিদ্যাৰ্ণৱ পুথিখনৰ চিত্ৰবোৰ দিলবৰ আৰু দোষায় নামৰ দুজন চিত্ৰকৰে কৰিছে ।

প্ৰশ্ন ৪.হস্তিবিদ্যাৰ্ণৱ পুথিত কোনকেইজন লোকৰ চিত্ৰ অংকিত হৈছে?

উত্তৰঃ হস্তিবিদ্যাৰ্ণৱ পুথিত গ্ৰন্থকাৰ-অনুসৰি সুকুমাৰ বৰকাথ, চিত্ৰকৰ দুগৰাকী-দিলবৰ, দোষায়,স্বৰ্গদেউ শিৱসিংহ, বৰকুঁৱৰী অম্বিকাদেৱী আৰু ৰাজকুমাৰ উগ্ৰসিংহ কোঁৱৰৰ চিত্ৰ অংকিত হৈছে ।

প্ৰশ্ন ৫.হস্তিগ্ৰন্থ বুলিলে কি বুজা?

উত্তৰঃ মধ্যযুগত অসমীয়া ভাষাত বিভিন্ন বিষয়ৰ ব্যৱহাৰিক জ্ঞানৰ পুথি ৰচিত হৈছিল।তাৰে ভিতৰত হাতী বিষয়ক পুথিসমূহ অন্যতম অষ্টাদশ শতিকাৰ লেখক সুকুমাৰ বৰকাথৰ হস্তিবিদ্যাৰ্ণব সাৰ সংগ্ৰহ

এই বিষয়ৰ শ্ৰেষ্ট পুথি।এই গ্ৰন্থ সমূহ সাঁচিপতীয়া পুথিৰ আকাৰত পোৱা যায়।হাতীৰ বিভিন্ন ৰোগৰ লক্ষণ, ব্যাধি, হস্তীৰ কৰ্ম।হস্তীৰ শুভশুৱা আদিৰ বিশদ বৰ্ণণা পোৱা যায়।এই পুথিসমূহ যদিও ব্যবহাৰিক সাহিত্যৰ ভিতৰুৱা তথাপি ইযাত সাহিত্যৰ সকলোবোৰ লক্ষণ দেখা নাযায় ।

## দীঘলীয়া প্ৰশ্ন – মূলাংকঃ ৪

প্ৰশ্ন ১.ব্যবহাৰিক সাহিত্য বুলিলে কি বুজা ? দুখন অসমীয়া ব্যবহাৰিক সাহিত্য পুথিৰ নাম লিখা।

উত্তৰঃ মানুহৰ ব্যহাৰিক জীৱনৰ লগত জড়িত অন্ন-বস্ত্ৰ, বাসস্হান অথবা জীৱ-জন্তুৰ গুণাগুণ,পুথিসমূহক ব্যবহাৰিক সাহিত্য বুলি কোৱা হয়।স্থ প্ৰধানত মধ্যুগৰ সৃষ্টি।এই সাহিত্যৰ ভিতৰুৱা পুথিসমূহৰ বিষয়সমূহ হ’ল- দ’ল-দেৱালয়, কাৰেং-মৈদাম, ঘৰ-দুৱাৰ আদি নিৰ্মানৰ কৌশলক কেন্দ্ৰ কৰি ৰচিত ব্যবহাৰিক সাহিত্য কবিতা, চুটিগল্প, উপন্যাস আদিৰ দৰে বিশুদ্ধ সাহিত্য নহয় যদিও ব্যৱহাৰিক জীৱনত এই পুথিসমূহৰ মৰ্যাদা অপৰিসীম।অষ্টাদশ শতিকাৰ লেখক সুকুমাৰ বৰকাথৰ হস্তি-বিদ্যাৰ্নৱ সাৰ-সংগ্ৰহ এই শ্ৰেণীৰ শ্ৰেষ্ঠ পুথি।তাৰোপৰি ঘোঁৰা নিদান, চাংৰুং ফুকনৰ বুৰঞ্জী উল্লেখযোগ্য পুথি।এই পুথিসমূহৰ ঐতিহাসিক গুৰুত্বও অপৰিসীম।

প্ৰশ্ন ২.ড০ সূৰ্যকুমাৰ ভূঞাৰ সাহিত্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ অসমীয়া সাহিত্যজগতত প্ৰখ্যাত ইতিহাসবিদ ড০ সূৰ্যকুমাৰ ভূঞাই কবি হিচাপে প্ৰথমতে আত্ম-প্ৰকাশ কৰিছিল।যদিও ইতিহাসবিদ হিচাপেহে খ্যাতি অৰ্জন কৰে।তেওঁ কেইবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।তেখেতৰ একমাত্ৰ কবিতা পুথিখনৰ নাম হ’ল-নিৰ্মালি, চুটিগল্পৰ পুথি-পনঞ্মি ।উল্লেখযোগ্য প্ৰৱন্ধ সংকলন হ’ল- ত্ৰিপদী, সূৰ্যকুমাৰ ভূঞাৰ বিবিধ প্ৰবন্ধ তেখেতৰ জীৱনী মূলক গ্ৰন্থ হ’ল-গোপাল কৃষ্ণ গোখলে, আনন্দৰাম বৰুৱা, অসম জীয়ৰী,

জোনাকী, চানেকী, ঐতিহাসিক তথ্যপূৰ্ণ পুথি-কোঁৱৰ বিদ্ৰোহ, বুৰঞ্জীৰ বাণী, ৰমণী গাভৰু, মীৰজুমলাৰ অসম আক্ৰমণ আৰু লাচিত বৰফুকন।ইংৰাজীত ৰচিত উল্লেখযোগ্য গ্ৰন্থবোৰ হ'ল-An Assamese Nur Jahan, Early British Relations with Assam, Lachit Borphukan and His Times, Atan Buragohain & His Times, Men I have Met, London Memories. আৰু গবেষণা গ্ৰন্থ Anglo-Assamese Relations 1771-1826. ইয়াৰ উপৰিও তেওঁ কেইবাখনো বুৰঞ্জী পুথি সম্পাদনা কৰিছিল।এনেদৰে ড০ সূৰ্যকুমাৰ ভূঞাই অসমীয়া সাহিত্য জগতলৈ বহুতো পুথিৰে অৱদান আগবঢ়াই গৈছে।

প্ৰশ্ন ৩.হস্তিবিদ্যাৰ্ণৱ পুথিৰ বিষয়বস্তুৰ এটি আভাস দিয়া ।

উত্তৰঃ ড০ সূৰ্যকুমাৰ ভূঞাদেৱৰ 'হস্তিবিদ্যাৰ্ণৱ পুথি' পাঠটিত হস্তিবিদ্যাৰ্ণৱ পুথিৰ বিষয়বস্তুৰ বিষদ আলোচনা দাঙি ধৰিছে।সুকুমাৰ বৰকাথৰ দ্বাৰা বিৰচিত "হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ" পুথিক হাতীক কেন্দ্ৰ কৰি বিষয় বস্তুৰ জুমুঠি বন্ধা হৈছে। সুকুমাৰ বৰকাথে যাৱতীয় সংস্কৃত গ্ৰন্থ, অসমত প্ৰচলিত কিছুমান হাতী বিষয়ক পুথি, দাঁতি-কাষৰীয়া জাতিৰ মাজত প্ৰচলিত হাতীৰ ব্যাধিৰ প্ৰতিকাৰ-এই সকলোবোৰ হস্তীজ্ঞান একত্ৰীকৰণ কৰি কাহিনীৰ বিষয়বস্তু ৰক্ষিত কৰিছে । গতিকে পুৰণি অসমীয়া সাহিত্যত এই পুথিৰ গুৰুত্বও অসীম।

হস্তিবিদ্যাৰ্ণৱ পুথিৰ প্ৰধান বিষয়বস্তু এনেধৰনৰ । এই পুথিত বিবিধ হাতিৰ লক্ষণ সম্পৰ্কে বৰ্ণনা কৰা হৈছে।ভাল হাতী,বেয়া হাতীৰ লক্ষণ বৰ্ণনা কৰাৰ লগতে অন্য ৰজাৰ লগত অপ্ৰীতিবৰ্দ্ধক হাতিৰ লক্ষণো বৰ্ণনা কৰা হৈছে।হাতীশাল নিৰ্মাণৰ নিয়মো বৰ্ণনা কৰিছে।হাতীশালত কি কাঠ নিৰ্ব্বদ্ধ কৰা হব, হাতীবন্ধা খুটাৰ মান কিমান উচ্চতাৰ হব, বতাহ-ৰ'দ সোমাব পৰাৰ কেনে ব্যৱস্থাৰ কৰিব লাগিব সকলো কথা কোৱা হৈছে।তদুপৰি হাতীক শুভকাৰ্যৰ প্ৰতীক বুলিও গণ্য কৰা হয় । আগৰ দিনত হাতিক যাত্ৰাকালত আৰু উভতি অহাৰ কালত দেখা বা ব্যহাৰ কৰাটো শুভ বুলি গন্য কৰা হয় । হাতীক যুদ্ধ কালত ব্যহাৰ

কৰা, উপঢৌকন হিচাপে প্ৰেৰণ কৰা, ৰজাৰ গড়ৰ বাহিৰ ৰাখি ৰজাৰ প্ৰতিপত্তি প্ৰদৰ্শন কৰা এই সকলো কথা লিখা আছে । তদুপৰি সোণ জপৰ দৰে হাতীদাঁতৰ মূল্যও আছিল যথেষ্ট ।

কামন্দকীয় নীতিসাৰত উল্লেখ মতে হস্তীক কৰ্মত প্ৰয়োগ কৰাৰ নিয়মো নিধান আছিল।যদ্ধক্ষেত্ৰত কেনে হাতী প্ৰয়োগ কৰিব, কোন হাতীত উঠিলে ৰজাৰ মঙ্গল আৰু সমৃদ্ধি হব, কোন হাতীত উঠিলে বেয়া তাৰো নিয়ম ব্যাখ্যা কৰা আছে।ঐৰাৱত হাতীৰ কথা, নিন্দিত হাতীৰ কথাও কোৱা হৈছে। স্বৰ্গদেৱৰ ঘাই হাতীক শিকোৱাৰ নিৰ্ব্বন্ধও যুগুত কৰা আছে । ময়দাৰ, মেদ বৃদ্ধি, মন পুষ্টি, মনচোকা এই সকলো বিলাকৰ বুজ লৱা হৈছিল। হাতী কেনেদৰে অধিক বলৱন্ত হব, হাতীক কেনেদৰে মন্ত্ৰৰে বশ কৰিব পাৰো বিধান হস্তিপুথিত উল্লেখ আছে।

এনেদৰে বিশ্লেষন কৰিলে দেখা যায় হাতীক কেন্দ্ৰ কৰি পুৰণিকালত ৰজা মহাৰজা সকলে বিবিধ মাধ্যম প্ৰয়োগ কৰিছিল।যিবোৰ হস্তিবিদ্যাৰ্ণৱ পুথিৰ বিষয়বস্তু হিচাপে ৰক্ষিত হৈছিল।

প্ৰশ্ন ৪.মংগলদায়ক হাতীৰ লক্ষণ সম্পৰ্কে হস্তিবিদ্যাৰ্ণৱ পুথিত থকা বিৱৰণটি নিজৰ ভাষাত লিখা।

উত্তৰঃ সুকুমাৰ বৰকাথৰ ‘হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ’ পুথিত মংগলদায়ক হাতীৰ বিস্তৃত বৰ্ণনা দাঙি ধৰিছে।

হস্তিবিদ্যাৰ্ণৱ পুথিত হাতীৰ বৰ্ণনা দাঙি ধৰিবলৈ যওঁতে বিবিধ হাতীৰ দোষ-গুণৰ বৰ্ণনা দাঙি ধৰিছে।ভাল হাতী বেয়া হাতী, যুদ্ধ হস্তী, অপ্ৰীতিবৰ্দ্ধক হাতী স্বৰ্গদেৱৰ গড়ৰ ৰাজত থকা হাতী, স্বৰ্গদেউৰ শুভকাৰ্যত প্ৰয়োগ হোৱা হাতী, শোভাযাত্ৰাত ব্যৱহাৰ্য হাতী ইত্যাদি বিবিধ হাতীৰ বৰ্ণনা দাঙি ধৰিছে।

মঙ্গলদায়ক হাতীৰ বৰ্ণনা কৰিছে এনেদৰে শৰীৰৰ বৰণ হ’ব লাগে শ্যামবৰ্ণ, দেখাত সুন্দৰ হ’ব লাগে।প্ৰকাণ্ড প্ৰাণী যদিও শৰীৰ হ’ব লাগে

স্থূল।দুয়োটা দাঁত সমান দীঘল হোৱা উচিত।সমানে ৰঙ্গ কৰা হ’ব লাগে।কামৰ সময়ত আগলৈ চাপি যোৱা হাতীৰ লক্ষণ ভাল।কালশিলি বৰ্ণৰ হ’ব লাগে। আগছোৱা জোঙা, নখ অলপ ক’লা অৰ্থাত্ পাতল কলা বৰণৰ হোৱা উচিত।বলৱন্ত হাতীৰ মূল্য অধিক।তেনে হাতীয়ে ৰজাক গড়ৰ ভিতৰ-বাহিৰ সকলোতে ভাল কাম দেখুৱায়।তেনে লক্ষণৰ হতীক উত্তম আহাৰ দি সোনকালে বশ কৰিব পৰা যায়।

এনেদৰে পুৰণি কালত ভাল হাতী বা উন্নত গুণসম্পন্ন হাতীক মঙ্গলদায়ক হাতী বুলি কোৱা হৈছিল আৰু এনে হাতীক ৰজা-মহাৰজা সকলে গুৰুত্ব সহকাৰে বিষয়া নিযুক্তিৰে পোহপালো দিছিল।

প্ৰশ্ন ৫.হস্তিবিদ্যাৰ্ণৱ পুথিৰ গদ্যশৈলীৰ বিষয়ে চমুকৈ আলোচনা কৰা।

উত্তৰঃ হস্তিবিদ্যাৰ্ণৱ পুথি সুকুমাৰ বৰকাথৰ অনবৈদ্য সৃষ্টি।বিভিন্ন হাতীৰ গুণাগুণ ব্যাখ্যাৰে পুথিখনে অসমীয়া সাহিত্যলৈ এক বিশিষ্ট বৰঙণি আগবঢ়াইছে।গদ্যত ৰচিত পুথিখনিৰ ৰচনাশৈলী ওজঃগুণযুক্ত।সংস্কৃত ভাষাত প্ৰাপ্য কেইখনমান গজশাস্ত্ৰ পুথি যেনে-পালকাপ্য মুনি বিৰচিত হস্তি আয়ুৰ্বেদ, নীলকণ্ঠ বিৰচিত মাতঙ্গলীলা, গজেন্দ্ৰচিন্তামণি, কামন্দকীয় নীতিসাৰ, বৰাহ মিহিবৰ যশস্তিলক ইত্যাদি পুথিৰ সমাহাৰ আৰু অসমত প্ৰচলিত পুৰণি হাতী বিষয়ক পুথি লগতে দাঁতি কাষৰীয়া জাতিৰ মাজত প্ৰচলিত হাতীৰ ব্যাধিৰ নানান প্ৰতিকাৰ বিষয়ক পুথিক বিষয়বস্তু হিচাপে লৈ হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ পুথিৰ জুমুঠি বন্ধা হৈছে।এই গ্ৰন্থৰ পুথিৰ ভাষা গদ্য।প্ৰশস্তি অংশৰ ভাষা সংস্কৃতগন্ধী।উদাহৰণস্বৰূপে

“ইন্দ্ৰ সৰোবৰৰ পদ্মপুষ্পৰ তুল্য হৈছে যি মহাৰাজা নীতিবিদ্যাৰো আনন্দিত হুই বৃহস্পতিক উপালম্ভ কৰিছে যি মহাৰাজা আৰু গম্ভীৰ ধীৰ ধাৰ্মিকসকলৰ মধ্যত শ্ৰেষ্ঠতৰ সৌমাৰ পীঠৰ ঈশ্বৰ শ্ৰীযুক্ত শ্ৰীমন্ত শিৱসিংহ যি মহাৰাজা, আপোনাৰ ছন্দৰ বিলাস বিদগ্ধতা ভাৱেৰে পৃথিৱীত সকলো সুন্দৰী গনৰ গৰ্ববকচুৰ কৰিছে যি মহাদেৱীয়ে সেই

কাৰণে অতিশয় বিৰাজমান হৈছে যি শ্ৰী শ্ৰী অম্বিকানাম মহাদেৱী, সেই দুজনাৰ আজ্ঞাৰত্ন মালাক শিৰত ধৰি সুকুমাৰ বৰকাথে এই

হস্তিবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ কৰি ৰচিল।” দেখা যায় মূলত সংস্কৃত পুথিক অনুকৰণ কৰা হেতুকে ভাষা সংস্কৃতগন্ধী আনহাতে দাঁতি কাষৰীয়া অঞ্চল সমূহৰ পৰা আহৰণ কৰা পুথিৰ জ্ঞানে সৰল অসমীয়া ভাষাৰ নিদৰ্শন দাঙি ধৰিছে। সাধাণ শ্ৰেণীৰ মানুহৰ মুখৰ ভাষাৰ গুৰুত্বও দেখা যায়।যেনেদৰে-“পাতালৰ জাতে যি হাতী আহিছে, তাৰ মুখৰূপ দেখি, গা ৰাতুল চন্দনৰ বৰ্ণনা হেন দেখি, নেজ মাটি লুটি যায়, মূৰ জোকাৰি থাকে, পানী পৰুৱাৰ বুলন যেন বুলনখৰ।আৰু টিপৰ কথা। বহুত বহুনাত বহিব, কলা ফুলেৰে চেপি ডাবি ধৰি অলপ কৰি আঙুলি কাণত লগাব।আকুহি থিয় কৰি যাব।পাচ মাউতে ডাবি মাৰিব, তেবে মূৰ দাঙ্গি যাব।”

এনেদৰে বিশ্লেষন কৰি চালে দেখা যায় যে হস্তিবিদ্যাৰ্ণৱ পুথিৰ ভাষা এফালে সংস্কৃতগন্ধী আৰু গভীৰ, যদিও আনহাতে সহজ সৰল।অসমীয়া মানুহে বুজিব পৰাকৈ বাক্যৰ গাঁথনি তেনেই সৰল। মুঠতে হস্তিবিদ্যাৰ্ণৱ পুথিৰ গদ্যই পুথিখনৰ মৰ্যাদা বহুগুণে বৃদ্ধি কৰিছে।